ত্রয়োদশ ভাগ

ভাৰতৰ ৰাজ্যক্ষেত্ৰৰ ভিতৰত বেপাৰ, বাণিজ্য আৰু আদান-প্ৰদান

বেপাৰ, বাণিজ্য আৰু আদান-প্ৰদানৰ স্বতন্ত্ৰতা।

৩০১। এই ভাগৰ অন্যান্য উপবন্ধ সাপেক্ষে ভাৰতৰ সমগ্ৰ ৰাজ্যক্ষেত্ৰতে বেপাৰ, বাণিজ্য আৰু আদান-প্ৰদানৰ স্বতন্ত্ৰতা থাকিব।

বেপাৰ, বাণিজ্য আৰু আদান-প্ৰদানৰ বিষয়ত নিৰ্বন্ধন আৰোপণ কৰিবলৈ সংসদৰ ক্ষমতা।

৩০২। এখন ৰাজ্য আৰু আন এখনৰ মাজত বা ভাৰতৰ ৰাজ্যক্ষেত্ৰৰ যিকোনো ভাগত চলোৱা বেপাৰ, বাণিজ্য বা আদান-প্ৰদানৰ স্বতন্ত্ৰতাৰ ওপৰত সংসদে বিধিৰ দ্বাৰা এনে নিৰ্বন্ধন আৰোপ কৰিব পাৰে যিবিলাকনেকি লোক-স্বাৰ্থৰ কাৰণে অপেক্ষিত হয়।

বেপাৰ আৰু বাণিজ্যৰ সম্বন্ধত সংঘ আৰু ৰাজ্যসমূহৰ বিধায়িনী ক্ষমতাৰ ওপৰত নিৰ্বন্ধন।

৩০৩। (১) অনুচ্ছেদ ৩০২ ত যিকোনো কথা থকা সত্ত্বেও এখন ৰাজ্যক আন এখনৰ ওপৰত কোনো অগ্ৰাধিকাৰ দিবলৈ বা দিবৰ কাৰণে প্ৰাধিকৃত কৰিবলৈ নাইবা সপ্তম অনুসূচীৰ যিকোনো সূচীত থকা বেপাৰ আৰু বাণিজ্য সম্পৰ্কীয় কোনো প্ৰবিষ্টিৰ আধাৰত কোনো এখন ৰাজ্য আৰু আন এখন ৰাজ্যৰ মাজত বিভেদ বিচাৰ কৰিবলৈ বা কৰিবৰ কাৰণে প্ৰাধিকৃত কৰিবলৈ কোনো বিধি প্ৰণয়ন কৰিবৰ বাবে সংসদৰ বা কোনো ৰাজ্যৰ বিধান মণ্ডলৰ ক্ষমতা নেথাকিব।

(২) ভাৰতৰ ৰাজ্যক্ষেত্ৰৰ যিকোনো ভাগত বস্তুৰ নাটনিৰ ফলত দেখা দিয়া অৱস্থাৰ বিৰুদ্ধে উচিত দিহা কৰিবৰ প্ৰয়োজনৰ বাবে তেনে কৰাটো আৱশ্যকীয় বুলি যদি এনে সংশ্লিষ্ট বিধিৰ দ্বাৰা ঘোষণা কৰা হয়, তেনেহলে অগ্ৰাধিকাৰ দিবলৈ বা দিবৰ কাৰণে প্ৰাধিকৃত কৰিবলৈ নাইবা বিভেদ বিচাৰ কৰিবলৈ বা কৰিবৰ কাৰণে প্ৰাধিকৃত কৰিবলৈ কোনো বিধি প্ৰণয়ন কৰাৰ পৰা খণ্ড (১) ৰ কোনো কথাই সংসদক নিবাৰণ নকৰিব।

ৰাজ্যসমূহৰ মাজত বেপাৰ, বাণিজ্য আৰু আদান-প্ৰদানৰ ওপৰত নিৰ্বন্ধন।

৩০৪। অনুচ্ছেদ ৩০১ বা অনুচ্ছেদ ৩০৩ ত যিকোনো কথা থকা সত্ত্বেও কোনো ৰাজ্যৰ বিধান মণ্ডলে বিধিৰ দ্বাৰা——

(ক) যাতে আমদানি কৰা বস্তু আৰু নিৰ্মাণ বা উৎপন্ন কৰা তেনে বস্তুৰ মাজত বিভেদ বিচাৰ কৰা নহয় তেনেভাৱে সেই ৰাজ্যৰ ভিতৰত নিৰ্মাণ বা উৎপন্ন কৰা অনুৰূপ বস্তুৰ ওপৰত যি কৰ আৰোপণীয় হয় সেই দৰেই ৰাজ্য [২][বা সংঘ ৰাজ্যক্ষেত্ৰ] সমূহৰ পৰা আমদানি কৰা বস্তুৰ ওপৰতো তেনে যিকোনো কৰ আৰোপণ কৰিব পাৰে, আৰু

(খ) লোক স্বাৰ্থৰ হকে অপেক্ষিত হোৱা অনুসৰি সেই ৰাজ্যৰ সৈতে বা সেই ৰাজ্যৰ ভিতৰত হোৱা বেপাৰ, বাণিজ্য বা আদান-প্ৰদানৰ স্বতন্ত্ৰতাৰ ওপৰত যুক্তিযুক্ত নিৰ্বন্ধন আৰোপণ কৰিব পাৰে ঃ

পৰন্তু, ৰাষ্ট্ৰপতিৰ পূৰ্ব মঞ্জুৰীৰ অবিহনে কোনো ৰাজ্যৰ বিধান মণ্ডলত খণ্ড (খ) ৰ প্ৰয়োজনৰ বাবে কোনো বিধেয়ক বা সংশোধনী উত্থাপিত বা প্ৰস্তাৱিত নকৰিব।

বৰ্ত্তমান বিধি আৰু ৰাজ্যিক একাধিপত্যৰ উপবন্ধ কৰা বিধিৰ ব্যাবৃত্তি।

[২][৩০৫। অনুচ্ছেদ ৩০১ আৰু ৩০৩ ৰ কোনো কথাই, ৰাষ্ট্ৰপতিয়ে আদেশৰ দ্বাৰা অন্যথা নিৰ্দেশ নিদিয়া পৰ্য্যন্ত কোনো বৰ্ত্তমান বিধিৰ উপবন্ধ সমূহৰ ওপৰত প্ৰভাৱ বিস্তাৰ নকৰে, আৰু অনুচ্ছেদ ৩০১ ৰ কোনো কথাই, সংবিধান (চতুৰ্থ সংশোধন) অধিনিয়ম, ১৯৫৫ ৰ প্ৰাৰম্ভণিৰ পূৰ্বে প্ৰণীত কোনো বিধিৰ প্ৰবৰ্ত্তনৰ ওপৰত যেতিয়ালৈকে সেই বিধি অনুচ্ছেদ ১৯ ৰ খণ্ড (৬) ৰ উপখণ্ড (ii) ত নিৰ্দ্দিষ্ট কোনো বিষয় সম্বন্ধীয় হয় তেতিয়ালৈকে, প্ৰভাৱ বিস্তাৰ নকৰে, অথবা অনুচ্ছেদ ১৯ৰ খণ্ড (৬)ৰ উপখণ্ড (ii) ত নিৰ্দ্দিষ্ট কোনো বিষয় সম্বন্ধীয় বিধি প্ৰণয়ন কৰাত সংসদৰ বা কোনো ৰাজ্যৰ বিধান মণ্ডলৰ ওপৰত বাধা আৰোপ নকৰে।]

১। সংবিধান (সপ্তম সংশোধন) অধিনিয়ম, ১৯৫৬ ৰ ২১ ধাৰা আৰু অনুসূচীৰ দ্বাৰা অন্তঃস্থাপিত।

২। সংবিধান (চতুৰ্থ সংশোধন) অধিনিয়ম, ১৯৫৫ ৰ ৪ ধাৰাৰ দ্বাৰা মূল ৩০৫ অনুচ্ছেদৰ পৰিৱৰ্ত্তে প্ৰতিষ্ঠাপিত।

ত্রয়োদশ ভাগ – ভাৰতৰ ৰাজ্যক্ষেত্রৰ ভিতৰত বেপাৰ, বাণিজ্য আৰু আদান-প্রদান

অনুচ্ছেদ ৩০৬-৩০৭

৩০৬।[প্রথম অনুসূচীৰ খ ভাগত উল্লিখিত কিছুমান ৰাজ্যৰ বেপাৰ-বাণিজ্যৰ ওপৰত নির্বন্ধন আৰোপ কৰাৰ ক্ষমতা] সংবিধান (সপ্তম সংশোধন) অধিনিয়ম, ১৯৫৬ ৰ ২৯ ধাৰা আৰু অনুসূচীৰ দ্বাৰা নিৰসিত।

অনুচ্ছেদ ৩০১ ৰ পৰা অনুচ্ছেদ ৩০৪ লৈ থকা প্রয়োজনীয়তা সমূহ কার্যান্বিত কৰিবৰ কাৰণে প্রাধিকাৰীৰ নিযুক্তি।

৩০৭। অনুচ্ছেদ ৩০১, ৩০২, ৩০৩ আৰু ৩০৪ ৰ প্রয়োজনীয়তা সমূহ কার্যান্বিত কৰিবৰ কাৰণে সংসদে বিধিৰ দ্বাৰা এনেকুৱা প্রাধিকাৰী নিযুক্ত কৰিব পাৰে যিটোনেকি সংসদে সমুচিত বুলি বিবেচনা কৰে, আৰু সেইদৰে নিযুক্ত প্রাধিকাৰীৰ ওপৰত এনে ক্ষমতা আৰু এনে কর্ত্তব্য অর্পণ কৰিব পাৰে যিবিলাকনেকি সংসদে আৱশ্যকীয় বুলি ভাবে।

চতুর্দ্দশ ভাগ

সংঘ আৰু ৰাজ্য সমূহৰ অধীনস্থ সেৱাসমূহ

প্রথম অধ্যায়-সেৱা সমূহ

নির্বাচন।

৩০৮। প্রসংগক্রমে অন্যথা অপেক্ষিত নহলে, এই ভাগত থকা ৰাজ্য পদে [১][জম্মু আৰু কাশ্মীৰ ৰাজ্যক অন্তর্গত নকৰে।]

সংঘৰ বা কোনো ৰাজ্যৰ সেৱা কৰা ব্যক্তিসকলৰ ভর্ত্তি আৰু সেৱাৰ চর্ত্ত সমূহ।

৩০৯। এই সংবিধানৰ উপবন্ধ সমূহৰ সাপেক্ষে সমুচিত বিধান মণ্ডলৰ অধিনিয়মে সংঘ বা কোনো ৰাজ্যৰ কাম-কাজৰ লগত সম্পর্ক থকা লোক-সেৱা আৰু পদ সমূহত নিযুক্ত ব্যক্তি সমূহৰ ভর্ত্তি আৰু সেৱাৰ চর্ত্ত সমূহ বিনিয়মন কৰিব পাৰিব ঃ

পৰন্তু, এই অনুচ্ছেদৰ অধীনত সমুচিত বিধান মণ্ডলৰ কোনো অধিনিয়মৰ দ্বাৰা বা অধীনত সেই সম্পর্কত উপবন্ধ নকৰালৈকে, সংঘৰ কাম-কাজৰ লগত জড়িত থকা সেৱা আৰু পদৰ বিষয়ত ৰাষ্ট্রপতিয়ে বা তেওঁৰ দ্বাৰা নির্দেশিত কোনো ব্যক্তিয়ে আৰু সেইদৰে ৰাজ্যৰ কাম-কাজৰ লগত জড়িত থকা সেৱা আৰু পদৰ বিষয়ত ৰাজ্যপালে [২][* * * *] বা তেওঁৰ দ্বাৰা নির্দেশিত কোনো ব্যক্তিয়ে নিযুক্ত হোৱা ব্যক্তিসকলৰ ভর্ত্তি আৰু সেৱাৰ চর্ত্ত সমূহ বিনিয়মন কৰি নিয়মাৱলী প্রণয়ন কৰিবৰ কাৰণে সক্ষম হব আৰু এনেভাৱে কৰা কোনো নিয়মাৱলী তেনে অধিনিয়মৰ উপবন্ধ সমূহৰ সাপেক্ষে প্রভাৱী হব।

সংঘৰ বা কোনো ৰাজ্যৰ সেৱা কৰা ব্যক্তিসকলৰ কার্য্যকাল।

৩১০। (১) এই সংবিধানৰ দ্বাৰা স্পষ্টভাৱে উপবন্ধিত অৱস্থাৰ ব্যতিৰেকে, সংঘৰ কোনো প্রতিৰক্ষা সেৱা বা কোনো অসামৰিক সেৱা বা কোনো সর্ব্ব ভাৰতীয় সেৱাৰ সদস্যভুক্ত অথ বা সংঘৰ অধীনত প্রতিৰক্ষা সম্পর্কীয় কোনো পদ বা কোনো অসামৰিক পদ ধাৰণ কৰা প্রতিজন ব্যক্তি ৰাষ্ট্রপতিৰ প্রসাদ পর্য্যন্ত পদত থাকিব আৰু কোনো ৰাজ্যৰ অসামৰিক সেৱাৰ সদস্যভুক্ত অথবা কোনো ৰাজ্যৰ অধীনত কোনো অসামৰিক পদ ধাৰণ কৰা প্রতিজন ব্যক্তি সেই ৰাজ্যৰ ৰাজ্যপালৰ [৩][* * *] প্রসাদ পর্য্যন্ত পদত থাকিব।

(২) ৰাষ্ট্রপতি বা যথাস্থিতি মতে, ৰাজ্যপালৰ [৪][* * * *] প্রসাদ পর্য্যন্ত কোনো ব্যক্তি সংঘ বা কোনো ৰাজ্যৰ অসামৰিক পদত থকাৰ উপবন্ধ থকা সত্ত্বেও, যি সংবিদাৰ অধীনত সংঘ বা কোনো ৰাজ্যৰ প্রতিৰক্ষা সেৱা, সর্ব্ব ভাৰতীয় সেৱা বা অসামৰিক সেৱাৰ সদস্যভুক্ত নোহোৱা কোনো ব্যক্তিক এই সংবিধান অনুসৰি এনে এটা পদ ধাৰণ কৰিবলৈ নিযুক্তি দিয়া হয় সেই সংবিদাত যদি ৰাষ্ট্রপতিয়ে বা যথাস্থিতি মতে ৰাজ্যপালে [৪][* *] বিশেষ অর্হতা সম্পন্ন ব্যক্তিৰ পৰা সেৱা পাবৰ কাৰণে আৱশ্যকীয় বুলি গণ্য কৰে তেনেহলে, চুক্তিবদ্ধ সময়ৰ অন্ত পৰাৰ আগতেই সেই পদ উঠাই দিলে বা তেওঁৰ নিজৰ একো কদাচাৰ জড়িত নথকা কোনো কাৰণত সেই পদ এৰি দিব লগা হলে তেনে ব্যক্তিক ক্ষতিপূৰণ দিয়াৰ উপবন্ধ কৰিব পাৰে।

সংঘ বা কোনো ৰাজ্যৰ অধীনত অসামৰিক সামর্থ্যৰে নিযুক্ত হোৱা ব্যক্তিৰ পদচ্যুতি, পদৰ পৰা অপসাৰণ বা পদমর্যাদা হ্রাসকৰণ।

৩১১। (১) সংঘৰ কোনো অসামৰিক সেৱা বা কোনো সর্ব্ব ভাৰতীয় সেৱা বা কোনো ৰাজ্যৰ কোনো অসামৰিক সেৱাৰ সদস্যভুক্ত বা সংঘ নাইবা কোনো ৰাজ্যৰ অধীনত কোনো অসামৰিক পদ ধাৰণ কৰা কোনো ব্যক্তিক তেওঁক নিযুক্ত কৰা প্রাধিকাৰীতকৈ কোনো অধীনস্থ প্রাধিকাৰীয়ে পদচ্যুত বা পদৰ পৰা অপসাৰিত কৰিব নোৱাৰে।

১। সংবিধান (সপ্তম সংশোধন) অধিনিয়ম, ১৯৫৬ ৰ ২৯ ধাৰা আৰু অনুসূচীৰ দ্বাৰা প্রতিষ্ঠাপিত।

২। উক্ত অধিনিয়মৰ ২৯ ধাৰা আৰু অনুসূচীৰ দ্বাৰা বা "ৰাজ প্রমুখ" লোপ কৰা হৈছে।

৩। উক্ত অধিনিয়মৰ উক্ত ধাৰা আৰু অনুসূচীৰ দ্বাৰা বা "যথাস্থিতিমতে ৰাজ প্রমুখ" এই শব্দ সমূহ লোপ কৰা হৈছে।

৪। উক্ত অধিনিয়মৰ উক্ত ধাৰা আৰু অনুসূচীৰ দ্বাৰা বা "ৰাজপ্রমুখ" লোপ কৰা হৈছে।

[১][(২) উপৰোক্ত এনে কোনো ব্যক্তিক তেওঁৰ বিৰুদ্ধে দোষাৰোপ সমূহ অবগত কৰি আৰু সেই দোষাৰোপ সমূহৰ সম্পর্কত তেওঁক শুনানীৰ যুক্তিযুক্ত সুযোগ দি এটা তদন্ত নকৰাকৈ পদচ্যুত বা পদৰ পৰা অপসাৰিত বা তেওঁৰ পদমর্যাদা হ্রাস কৰিব নোৱাৰিব [২][* * *]ঃ

[৩][পৰন্তু, যেতিয়ানেকি এনে তদন্তৰ পিছত তেওঁৰ ওপৰত এনে কোনো শাস্তি বিহিবলৈ প্রস্তাৱ কৰা হয়, তেনে শাস্তি তদন্তৰ তেনে সময়ত দিয়া সাক্ষ্যৰ আধাৰতহে দিব পাৰিব আৰু প্রস্তাৱিত শাস্তিৰ ওপৰত অভিবেদন দিবলৈ তেনে ব্যক্তিক যুক্তিযুক্ত সুযোগ দিয়াৰ কোনো আৱশ্যকতা নহবঃ

অধিকন্তু, এই খণ্ডটো এনে ক্ষেত্রত প্রযোজ্য নহব] --

(ক) যেতিয়ানেকি কোনো ব্যক্তি এনে আচৰণৰ আধাৰত পদচ্যুত বা পদৰ পৰা অপসাৰিত বা পদ মর্য্যদাত হ্রাস হয় যি আচৰণৰ বাবে তেওঁ অপৰাধীক দোষাৰোপত দোষী সাব্যস্ত হয়, বা

(খ) যেতিয়ানেকি কোনো ব্যক্তিক পদচ্যুত বা পদৰ পৰা অপসাৰিত বা পদমর্যাদাত হ্রাস কৰিব পৰা ক্ষমতা থকা প্রধিকাৰীয়ে এইটো সমাধান কৰে যে কোনো কাৰণত, যি কাৰণ সেই প্রাধিকাৰীৰ দ্বাৰা লিপিবদ্ধ কৰিব লাগিব, এনে তদন্ত কৰাটো যুক্তিযুক্ত ভাবে সাধ্য নহয়, অথবা

(গ) যেতিয়ানেকি যথাস্থিতি, ৰাষ্ট্রপতিয়ে বা ৰাজ্যপালে এইটো সমাধান কৰে যে ৰাজ্যৰ সুৰক্ষাৰ স্বার্থত এনে তদন্ত কৰাটো সমীচীন নহয়।

(৩) যদি উপৰোক্ত এনে কোনো ব্যক্তিৰ সম্বন্ধত এইটো প্রশ্নৰ উদ্ভৱ হয় যে খণ্ড (২) ত নির্দেশিত এনেকুৱা কোনো তদন্ত কৰাটো যুক্তিযুক্ত ভাবে সাধ্য হয়নে নহয়, তেতিয়া তেনে ব্যক্তিক পদচ্যুত বা পদৰ পৰা অপসাৰিত কৰিবলৈ বা তেওঁৰ পদমর্য্যদা হ্রাস কৰিবলৈ ক্ষমতা থকা প্রাধিকাৰীয়ে তাৰ ওপৰত যি বিনিশ্চয় কৰিব সেয়ে চূড়ান্ত হব।]

সর্বভাৰতীয় সেৱাসমূহ।

৩১২।(১) [৪][ষষ্ঠ ভাগৰ ষষ্ঠ অধ্যায়ত বা একাদশ ভাগত] যিকোনো কথা থকা সত্ত্বেও, যদি ৰাজ্য সভাই উপস্থিত থকা আৰু ভোট দান কৰা সদস্য সকলৰ অন্যূন দুই-তৃতীয়াংশৰ দ্বাৰা সমর্থিত সংকল্পৰ দ্বাৰা ঘোষণা কৰে যে তেনে কৰাটো ৰাষ্ট্রীয় স্বার্থৰ ফালৰ পৰা আৱশ্যকীয় আৰু বাঞ্ছনীয়, তেতিয়াহলে সংসদে বিধিৰ দ্বাৰা সংঘ আৰু ৰাজ্য সমূহৰ কাৰণে উমৈহতীয়া এটা বা ততোধিক সর্ব্ব ভাৰতীয় সেৱা [৫][সর্ব্ব ভাৰতীয় ন্যায়িক সেৱাক অন্তর্ভুক্ত কৰি] সৃষ্টি কৰিবলৈ উপবন্ধ কৰিব পাৰে আৰু এই অধ্যায়ৰ অন্যান্য উপবন্ধ সমূহৰ সাপেক্ষে এনে কোনো সেৱাত নিযুক্ত কৰা ব্যক্তিৰ ভর্ত্তি আৰু সেৱাৰ চর্ত্ত সমূহ বিনিয়মন কৰিব পাৰে।

১। সংবিধান (পঞ্চদশ সংশোধন) অধিনিয়ম, ১৯৬৩ ৰ ধাৰা ১০ ৰ দ্বাৰা মূল খণ্ড (২) আৰু (৩) ৰ পৰিৱর্ত্তে প্রতিষ্ঠাপিত।

২। সংবিধান (দ্বাচত্বাৰিংশ সংশোধন) অধিনিয়ম, ১৯৭৬ ৰ ধাৰা ৪৪ ৰ দ্বাৰা কেইটামান শব্দ লোপ কৰা হৈছে (১৩-১-৭৭ তাংৰ পৰা)।

৩। উক্ত অধিনিয়মৰ উক্ত ধাৰাৰ দ্বাৰা প্রতিষ্ঠাপিত (১৩-১-৭৭ তাংৰ পৰা)।

৪। সংবিধান (দ্বাচত্বাৰিংশ সংশোধন) অধিনিয়ম, ১৯৭৬ ৰ ধাৰা ৪৫ ৰ দ্বাৰা 'একাদশ ভাগ'ৰ পৰিৱর্ত্তে প্রতিষ্ঠাপিত (৩-১-৭৭ তাংৰ পৰা)।

৫। উক্ত অধিনিয়মৰ ধাৰা ৪৫ ৰ দ্বাৰা অন্তঃস্থাপিত কৰা হৈছে (৩-১-৭৭ তাংৰ পৰা)।

(২) এই সংবিধানৰ প্ৰাৰম্ভণিৰ সময়ত ভাৰতীয় প্ৰশাসনিক সেৱা আৰু ভাৰতীয় আৰক্ষী সেৱা নামেৰে জ্ঞাত সেৱাকো এই অনুচ্ছেদৰ অধীনত সংসদে সৃষ্টি কৰা সেৱা বুলি গণ্য কৰা হব।

[১][(৩) খণ্ড (১) ত নিৰ্দ্দেশিত সৰ্ব্ব ভাৰতীয় ন্যায়িক সেৱাই অনুচ্ছেদ ২৩৬ ত পৰিভাষিত কৰা জিলা ন্যায়াধীশ পদতকৈ নিম্নস্তৰৰ কোনো পদ অন্তভুক্ত নকৰিব।

(৪) উপৰোক্ত সৰ্ব্ব ভাৰতীয় ন্যায়িক সেৱা গঠনৰ বাবে উপবন্ধ কৰা বিধিত সেই বিধিৰ উপবন্ধ সমূহ প্ৰভাৱী কৰিবৰ আৱশ্যক হোৱা অনুযায়ী ষষ্ঠ ভাগৰ ষষ্ঠ অধ্যায় সংশোধন কৰিবৰ বাবে উপবন্ধ থাকিব পাৰে আৰু অনুচ্ছেদ ৩৬৮ ৰ প্ৰয়োজনৰ বাবে তেনে কোনো বিধিক এই সংবিধানৰ সংশোধন বুলি গণ্য কৰা নহব।]

কোনো কোনো সেৱাৰ পদাধিকাৰী সকলৰ সেৱাৰ চৰ্ত্ত সমূহ পৰিৱৰ্ত্তন বা প্ৰতিসংহৰণ কৰিবলৈ সংসদৰ ক্ষমতা।

[২][৩১২ক। (১) সংসদে বিধিৰ দ্বাৰা——

(ক) এই সংবিধানৰ প্ৰাৰম্ভণিৰ পূৰ্ব্বে চেক্ৰেটাৰী অফ্ ষ্টেট বা চেক্ৰেটাৰী অফ্ ষ্টেট ইন কাউন্সিলৰ দ্বাৰা ভাৰতত সম্ৰাটৰ কোনো অসামৰিক সেৱাত নিয়োজিত হৈ সংবিধান (অষ্টবিংশ সংশোধন) অধিনিয়ম, ১৯৭২ ৰ প্ৰাৰম্ভণিত বা তাৰ পিচত ভাৰত চৰকাৰ বা কোনো ৰাজ্য চৰকাৰৰ অধীনৰ কোনো সেৱাত বা পদত সেৱা কৰি থকা ব্যক্তি সকলৰ পাৰিশ্ৰমিক, ছুটী আৰু অৱসৰ বেতনৰ সম্বন্ধত সেৱাৰ চৰ্ত্ত সমূহ আৰু অনুশাসনমূলক বিষয় সমূহৰ সম্বন্ধত অধিকাৰ সমূহ ভূতলক্ষী বা ভৱিষ্যলক্ষী প্ৰভাৱেৰে পৰিৱৰ্ত্তন বা প্ৰতিসংহৰণ কৰিব পাৰে;

(খ) এই সংবিধানৰ প্ৰাৰম্ভণিৰ পূৰ্ব্বে চেক্ৰেটাৰী অফ্ ষ্টেট বা চেক্ৰেটাৰী অফ্ ষ্টেট ইন কাউন্সিলৰ দ্বাৰা ভাৰতত সম্ৰাটৰ কোনো অসামৰিক সেৱাত নিয়োজিত হৈ সংবিধান (অষ্টবিংশ সংশোধন) অধিনিয়ম, ১৯৭২ ৰ প্ৰাৰম্ভণিৰ পূৰ্ব্বে যিকোনো সময়ত অৱসৰ প্ৰাপ্ত অথবা অন্যথাই চাকৰিত নথকা ব্যক্তি সকলৰ অৱসৰ বেতনৰ সম্বন্ধত সেৱা চৰ্ত্ত সমূহ ভূতলক্ষী বা ভৱিষ্যলক্ষী প্ৰভাৱেৰে পৰিৱৰ্ত্তন বা প্ৰতিসংহৰণ কৰিব পাৰে ঃ

পৰন্তু, উচ্চতম ন্যায়ালয়ৰ বা উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ বা আন ন্যায়াধীশ ভাৰতৰ নিয়ন্ত্ৰক-মহালেখা পৰীক্ষক সংঘ বা কোনো ৰাজ্যৰ লোক সেৱা আয়োগৰ সভাপতি বা আন সদস্য বা মুখ্য নিৰ্ব্বাচন আয়ুক্ত পদ ধাৰণ কৰি থকা বা ধাৰণ কৰি অহা এনে ব্যক্তি সকলৰ ক্ষেত্ৰত, তেনে ব্যক্তি চেক্ৰেটাৰী অফ্ ষ্টেট বা চেক্ৰেটাৰী অফ্ ষ্টেট ইন কাউন্সিলৰ দ্বাৰা ভাৰতত সম্ৰাটৰ অসামৰিক সেৱাত নিযুক্ত হোৱা কাৰণ বশত ঃ তেওঁৰ প্ৰতি প্ৰযোজ্য হোৱা চৰ্ত্ত সমূহৰ ব্যতিৰেকে, তেওঁৰ সেৱা-চৰ্ত্ত সমূহ এনে পদত তেওঁৰ নিযুক্তিৰ পিচত তেওঁৰ প্ৰতিকূলে পৰিৱৰ্ত্তন বা প্ৰতিসংহৰণ কৰিবলৈ সংসদক ক্ষমতা দিয়া বুলি উপখণ্ড (ক) বা উপখণ্ড (খ) ৰ কোনো কথাৰ অৰ্থ কৰা নহব।

(২) সংসদৰ দ্বাৰা এই অনুচ্ছেদৰ অধীনত প্ৰণীত বিধিৰ দ্বাৰা কৰা উপবন্ধৰ বিস্তৃতি ব্যতিৰেকে, এই অনুচ্ছেদৰ কোনো কথাই, খণ্ড (১) ত উল্লিখিত ব্যক্তি সকলৰ সেৱাৰ চৰ্ত্ত সমূহ নিয়ন্ত্ৰণ কৰিবলৈ এই সংবিধানৰ আন যিকোনো উপবন্ধৰ অধীনত থকা কোনো বিধান মণ্ডলৰ বা আন প্ৰাধিকাৰীৰ ক্ষমতাত প্ৰভাৱ নেপেলাব।

১। সংবিধান (দ্বাচত্বাৰিংশ সংশোধন) অধিনিয়ম, ১৯৭৬ ৰ ধাৰা ৪৫ ৰ দ্বাৰা অন্তঃস্থাপিত (৩-১-৭৭ তাংৰ পৰা)।

২। সংবিধান (অষ্টবিংশ সংশোধন) অধিনিয়ম, ১৯৭২ ৰ ধাৰা২ ৰ দ্বাৰা অন্তঃস্থাপিত (২৯-৮-৭২ তাংৰ পৰা)।

(৩) (ক) খণ্ড (১) ত উল্লিখিত যিকোনো ব্যক্তিৰ দ্বাৰা কৰাহোৱা বা সম্পাদিত কোনো প্রসংবিদা, কৰাৰ বা এনে ধৰণৰ আন কোনো লিখনৰ কোনো উপবন্ধৰ পৰা বা তাৰ ওপৰত কৰা কোনো পৃষ্ঠাংকনৰ পৰা উদ্ভুত কোনো বিবাদৰ ওপৰত, অথবা এনে কোনো ব্যক্তিৰ ভাৰতত সম্রাটৰ অসামৰিক সেৱাত নিযুক্তিৰ সম্পর্কত বা তেওঁ ভাৰত ডমিনিয়ন বা তাৰ কোনো প্রদেশৰ চৰকাৰৰ অধীনত সেৱা কৰি থকাৰ সম্পর্কত তেনে ব্যক্তিৰ প্রতি দিয়া কোনো চিঠিৰ পৰা উদ্ভুত কোনো বিবাদৰ ওপৰত;

(খ) মূলত ঃ যথা অধিনিয়মিত অনুচ্ছেদ ৩১৪ ৰ অধীনত কোনো অধিকাৰ, দায়িত্ব বা বাধ্য-বাধকতাৰ সম্বন্ধত হোৱা কোনো বিবাদৰ ওপৰত—

উচ্চতম ন্যায়ালয়ৰ নাইবা আন যিকোনো ন্যায়ালয়ৰ ক্ষেত্রাধিকাৰ নাথাকিব।

(৪) মূলত ঃ যথা অধিনিয়মিত অনুচ্ছেদ ৩১৪ ত অথবা এই সংবিধানৰ আন যিকোনো উপবন্ধত যিকোনো কথা থকা সত্ত্বেও এই অনুচ্ছেদৰ উপবন্ধ সমূহ প্রভাৱী হব।]

অন্তবর্ত্তী উপবন্ধ সমূহ।

৩১৩। এই সংবিধানৰ অধীনত এই মর্মে আন উপবন্ধ নকৰালৈকে, বর্ত্তমান সংবিধানৰ প্রাৰম্ভণিৰ অব্যৱহিত পূর্বে বলবৎ থকা আৰু এই সংবিধানৰ প্রাৰম্ভণিৰ পিচতো সর্ব ভাৰতীয় সেৱা হিচাপে বা সংঘ অথবা কোনো ৰাজ্যৰ অধীনস্থ সেৱা বা পদ হিচাপে থকা কোনো লোক-সেৱা বা কোনো পদত প্রযোজ্য হব পৰা সকলো বিধি এই সংবিধানৰ উপবন্ধ সমূহৰ লগত সংগতি বিহীন নোহোৱা পর্য্যন্ত বলবৎ হৈয়ে থাকিব।

৩১৪। [কোনো কোনো সেৱাৰ বর্ত্তমান পদাধিকাৰী সকলৰ ৰক্ষণাবেক্ষণৰ বাবে উপবন্ধ।]- সংবিধান (অষ্টবিংশ সংশোধন) অধিনিয়ম, ১৯৭২ৰ ধাৰা ৩ ৰ দ্বাৰা নিৰসিত (২৯-৮-৭২ তাংৰ পৰা)।

দ্বিতীয় অধ্যায় — লোক সেৱা আয়োগ

সংঘৰ আৰু ৰাজ্য সমূহৰ কাৰণে লোক সেৱা আয়োগ সমূহ।

৩১৫। (১) এই অনুচ্ছেদৰ উপবন্ধ সমূহৰ সাপেক্ষে, সংঘৰ কাৰণে এখন লোক সেৱা আয়োগ আৰু প্রত্যেক ৰাজ্যৰ কাৰণে একোখন লোক-সেৱা আয়োগ হব।

(২) দুখন বা ততোধিক ৰাজ্যই এইটো মানি লব পাৰে যে সেই ৰাজ্য কেইখনৰ সমষ্টিটোৰ কাৰণে এখন লোক-সেৱা আয়োগ হব আৰু যদি সেই ৰাজ্যবোৰৰ প্রত্যেকখনৰে বিধান মণ্ডলৰ সদনে বা যতদুখন সদন থাকে তাত প্রত্যেকটো সদনে সেই মর্মে সংকল্প পাৰিত কৰে, তেনেহলে সংসদে সেই ৰাজ্য বোৰৰ আৱশ্যকতা পূৰণৰ কাৰণে এখন সংযুক্ত ৰাজ্য লোক সেৱা আয়োগ (এই অধ্যায়ত সংযুক্ত আয়োগ বুলি উল্লেখ কৰা হৈছে) নিযুক্ত কৰিবলৈ বিধিৰ দ্বাৰা উপবন্ধ কৰিব পাৰে।

(৩) উপৰোক্ত ধৰণৰ যিকোনো বিধিত সেই বিধিৰ উদ্দেশ্য সমূহ কার্য্যকৰী কৰিবলৈ আৱশ্যকীয় বা বাঞ্ছনীয় হোৱা অনুসৰি প্রাসংগিক আৰু আনুষংগিক যিকোনো উপবন্ধ অর্ন্তবিষ্ট হব পাৰে।

(৪) কোনো ৰাজ্যৰ ৰাজ্যপালে [১][* * *] যদি অনুৰোধ কৰে, তেনেহলে সংঘৰ লোক সেৱা আয়োগে, ৰাষ্ট্রপতিৰ অনুমোদন ক্রমে, সেই ৰাজ্যৰ সকলো বা যিকোনো আৱশ্যকতা পূৰণ কৰিবলৈ সন্মত হব পাৰে।

(৫) প্রসংগক্রমে অন্যথা অপেক্ষিত নহলে, এই সংবিধানত সংঘৰ লোক সেৱা আয়োগ বা কোনো ৰাজ্যৰ লোক সেৱা আয়োগৰ প্রতি থকা নির্দেশে এনে আয়োগৰ প্রতিথকা নির্দেশ বুলি অর্থ কৰিব যি আয়োগে প্রশ্ন উদয় হোৱা কোনো বিশেষ বিষয়ৰ সম্বন্ধত, সংঘৰ বা যথাস্থিতি ৰাজ্যৰ আৱশ্যকতা সমূহ পূৰণ কৰে।

১। সংবিধান (সপ্তম সংশোধন) অধিনিয়ম, ১৯৫৬ ৰ ২৯ ধাৰা আৰু অনুসূচীৰ দ্বাৰা বা "ৰাজ প্রমুখ" শব্দসমূহ লোপ কৰা হৈছে।

সদস্য সকলৰ নিযুক্তি আৰু পদাৱধি।

৩১৬। (১) সংঘ-আয়োগ বা কোনো সংযুক্ত আয়োগৰ বেলিকা ৰাষ্ট্ৰপতিৰ দ্বাৰা আৰু ৰাজ্য-আয়োগৰ বেলিকা সেই ৰাজ্যৰ ৰাজ্যপালৰ [১][* * *] দ্বাৰা লোক সেৱা আয়োগৰ অধ্যক্ষ আৰু অন্যান্য সদস্যসকল নিযুক্ত হব ঃ

পৰন্তু, প্ৰত্যেক লোক সেৱা আয়োগতে যথা সম্ভৱ নিকটতম অৰ্দ্ধেক সদস্য এনে ব্যক্তি হব লাগিব যি সকলে নিজ নিজ নিযুক্তিৰ তাৰিখত কম পক্ষেও দহ বছৰ কাল ভাৰত চৰকাৰৰ অধীনত বা কোনো ৰাজ্যৰ চৰকাৰৰ অধীনত পদ গ্ৰহণ কৰি আহিছে আৰু সেই দহ বছৰ কাল সংগণনা কৰোতে এই সংবিধানৰ প্ৰাৰম্ভণিৰ পূৰ্বে যি কালছোৱাত কোনো ব্যক্তিয়ে সম্ৰাটৰ অধীনত ভাৰতত বা কোনো ভাৰতীয় ৰাজ্যৰ চৰকাৰৰ অধীনত পদ ধাৰণ কৰি আহিছে সেই কালছোৱাও ইয়াৰ অন্তৰ্ভুক্ত হব।

[২][(১ক) যদি আয়োগৰ অধ্যক্ষৰ পদ ৰিক্ত হয় বা যদি এনে কোনো অধ্যক্ষই অনুপস্থিতিৰ কাৰণে বা আন যিকোনো কাৰণে তেওঁৰ পদ-কৰ্ত্তব্য পালন কৰিবলৈ অসমৰ্থ হয়, তেনেহলে যেতিয়ালৈকে সেই ৰিক্ত পদত খণ্ড (১) ৰ অধীনত নিযুক্ত কোনো ব্যক্তিয়ে কৰ্ত্তব্য ভাৰ গ্ৰহণ নকৰে অথবা যথাস্থিতি মতে যেতিয়ালৈকে অধ্যক্ষই তেওঁৰ কৰ্তব্য পুনৰ গ্ৰহণ নকৰে তেতিয়ালৈকে সেই কৰ্ত্তব্য সমূহ আয়োগৰ আন সদস্য সকলৰ ভিতৰত এনেকুৱা এজন সদস্যই পালন কৰিব যাকনেকি সংঘ-আয়োগ বা সংযুক্ত আয়োগৰ বেলিকা ৰাষ্ট্ৰপতিয়ে আৰু ৰাজ্য-আয়োগৰ বেলিকা ৰাজ্যৰ ৰাজ্যপালে সেই প্ৰয়োজনৰ বাবে নিযুক্ত কৰে।]

(২) লোক সেৱা আয়োগৰ কোনো সদস্যই তেওঁৰ নিজৰ পদ গ্ৰহণ কৰা তাৰিখৰ পৰা ছবছৰলৈ অথবা সংঘ-আয়োগৰ বেলিকা তেওঁৰ বয়স পয়ষষ্ঠি বছৰ নোহোৱালৈকে, আৰু কোনো ৰাজ্য-আয়োগ বা কোনো সংযুক্ত আয়োগৰ বেলিকা তেওঁৰ বয়স [৩][বাষষ্ঠি বছৰ] নোহোৱালৈকে, ইয়াৰ যিটোৱেই সোনকালে হয় তেতিয়ালৈকে তেওঁৰ পদ ধাৰণ কৰিব ঃ

পৰন্তু——

(ক) কোনো লোক সেৱা আয়োগৰ সদস্যই সংঘ-আয়োগ বা সংযুক্ত আয়োগৰ বেলিকা ৰাষ্ট্ৰপতিলৈ আৰু কোনো ৰাজ্য-আয়োগৰ বেলিকা সেই ৰাজ্যৰ ৰাজ্যপাললৈ [৪][* * *] সম্বোধিত স্বহস্ত লিখনৰ দ্বাৰা তেওঁৰ পদ ত্যাগ কৰিব পাৰে।

(খ) কোনো লোক সেৱা আয়োগৰ কোনো সদস্যক অনুচ্ছেদ ৩১৭ ৰ খণ্ড (১) ত বা খণ্ড (৩) ত উপবন্ধিত ৰীতি অনুসৰি তেওঁৰ পদৰ পৰা অপসাৰিত কৰিব পাৰে।

(৩) কোনো লোক সেৱা আয়োগৰ সদস্য পদ ধাৰণ কৰি থকা কোনো ব্যক্তি, তেওঁৰ পদাৱধি অন্ত পৰিলে সেই পদত পুনঃ নিযুক্তিৰ কাৰণে অপাত্ৰ হব।

কোনো লোক সেৱা আয়োগৰ কোনো সদস্যৰ অপসাৰণ আৰু নিলম্বন।

৩১৭। (১) খণ্ড (৩) ৰ উপবন্ধ সমূহৰ সাপেক্ষে, কোনো লোক সেৱা আয়োগৰ অধ্যক্ষক বা আন কোনো সদস্যক, কদাচাৰৰ কাৰণত, ৰাষ্ট্ৰপতিয়ে সেই বিষয়ে উচ্চতম ন্যায়ালয়লৈ নিৰ্দেশিত কৰাৰ পিচত অনুচ্ছেদ ১৪৫ ত বিহিত প্ৰক্ৰিয়া মতে চলোৱা তদন্তৰ অন্তত উচ্চতম ন্যায়ালয়ে যথাস্থিতি মতে, সেই অধ্যক্ষক বা তেনে আন কোনো সদস্যক তেনে কোনো কাৰণত অপসাৰণ কৰা উচিত বুলি প্ৰতিবেদন দিয়াৰ পিছত কেৱল ৰাষ্ট্ৰপতিৰ আদেশৰ দ্বাৰা তেওঁৰ পদৰ পৰা অপসাৰিত কৰিব পাৰিব।

১। সংবিধান (সপ্তম সংশোধন) অধিনিয়ম, ১৯৫৬ ৰ ২৯ ধাৰা আৰু অনুসূচীৰ দ্বাৰা 'বা ৰাজপ্ৰমুখ' শব্দ সমূহ লোপ কৰা হৈছে।

২। সংবিধান (পঞ্চদশ সংশোধন) অধিনিয়ম, ১৯৬৩ ৰ ১১ ধাৰাৰ দ্বাৰা অন্তঃস্থাপিত।

৩। সংবিধান (একচত্বাৰিংশ সংশোধন) অধিনিয়ম, ১৯৭৬ ৰ ধাৰা ২ ৰ দ্বাৰা 'ষাঠি বছৰ'ৰ পৰিৱৰ্ত্তে প্ৰতিষ্ঠাপিত।

৪। সংবিধান (সপ্তম সংশোধন) অধিনিয়ম, ১৯৫৬ ৰ ২৯ ধাৰা আৰু অনুসূচীৰ দ্বাৰা 'বা ৰাজপ্ৰমুখ' শব্দ সমূহ লোপ কৰা হৈছে।

(২) আয়োগৰ অধ্যক্ষক বা এনে কোনো সদস্যক যাৰ সম্বন্ধত খণ্ড (১) ৰ অধীনত উচ্চতম ন্যায়ালয়লৈ নিৰ্দেশিত কৰা হয়, তেনে নিৰ্দেশৰ প্ৰসংগত উচ্চতম ন্যায়ালয়ৰ পৰা প্ৰতিবেদন পাই ৰাষ্ট্ৰপতিয়ে আদেশ নিদিয়ালৈকে সংঘ-আয়োগ বা কোনো সংযুক্ত আয়োগৰ বেলিকা ৰাষ্ট্ৰপতিয়ে আৰু কোনো ৰাজ্য-আয়োগৰ বেলিকা ৰাজ্যপালে [১][* * * , *] পদৰ পৰা নিলম্বন কৰিব পাৰে।

(৩) খণ্ড(১) ত যিকোনো কথা থকা সত্ত্বেও ৰাষ্ট্ৰপতিয়ে আদেশৰ দ্বাৰা কোনো লোকসেৱা আয়োগৰ অধ্যক্ষক বা কোনো সদস্যক পদৰ পৰা অপসাৰণ কৰিব পাৰিব যদিহে যথাস্থিতি মতে, সেই অধ্যক্ষ বা তেনে সদস্য——

(ক) দেউলীয়া বুলি ন্যায়নিৰ্ণীত হয় ; বা

(খ) তেওঁৰ পদাবধিৰ ভিতৰত নিজৰ পদৰ কৰ্ত্তব্যৰ বাহিৰত তেওঁ কোনো বেতনভোগী নিযুক্তিত থাকে; বা

(গ) ৰাষ্ট্ৰপতিৰ ৰায় মতে মন বা শৰীৰৰ দুৰ্বলতাৰ কাৰণে কাম চলাই থকাৰ অযোগ্য হয়।

(৪) ভাৰত চৰকাৰৰ দ্বাৰা বা ওৱফে অথবা কোনো ৰাজ্যৰ চৰকাৰৰ দ্বাৰা বা ওৱফে কৰা হোৱা কোনো সংবিদা বা কৰাৰত কিবা প্ৰকাৰে সংশ্লিষ্ট বা স্বাৰ্থ জড়িত থাকিলে বা তাৰ পৰা পোৱা লাভৰ বা তাৰ পৰা উদ্ভৱ হোৱা উপকাৰ বা উপলব্ধিৰ বিষয়ত, কোনো নিগমিত কোম্পানীৰ সদস্য হিচাপে আৰু আন সদস্য সকলৰ লগত উমৈহতীয়া ভাবে অংশ গ্ৰহণ কৰাৰ বাহিৰে আন কিবা প্ৰকাৰে লোক সেৱা আয়োগৰ অধ্যক্ষই বা আন কোনো সদস্যই কিবা অংশ গ্ৰহণ কৰিলে খণ্ড (১) ৰ প্ৰয়োজন সমূহৰ কাৰণে তেওঁ কদাচাৰৰ বাবে দোষী বুলি গণ্য হব।

আয়োগৰ সদস্য সকলৰ আৰু কৰ্ম্মচাৰী বৃন্দৰ সেৱাৰ চৰ্ত্ত সমূহৰ বিষয়ে বিনিয়ম প্ৰণয়নৰ ক্ষমতা।

৩১৮। সংঘ-আয়োগ বা সংযুক্ত আয়োগৰ সম্বন্ধত ৰাষ্ট্ৰপতিয়ে আৰু ৰাজ্য-আয়োগৰ সম্বন্ধত সেই ৰাজ্যৰ ৰাজ্যপালে [১][* * * * *] বিনিয়মৰ দ্বাৰা——

(ক) আয়োগৰ সদস্যৰ সংখ্যা আৰু তেওঁলোকৰ সেৱাৰ চৰ্ত্ত সমূহ নিৰ্দ্ধাৰণ কৰিব পাৰে; আৰু

(খ) আয়োগৰ কৰ্ম্মচাৰী বৃন্দৰ সংখ্যা আৰু তেওঁলোকৰ সেৱাৰ চৰ্ত্ত সমূহৰ সম্বন্ধত উপবন্ধ কৰিব পাৰে ঃ

পৰন্তু, কোনো লোক সেৱা আয়োগৰ কোনো সদস্যৰ সেৱাৰ চৰ্ত্ত সমূহ তেওঁৰ নিযুক্তিৰ পিচত তেওঁৰ প্ৰতিকূলে কোনো পৰিৱৰ্ত্তন কৰা নহব।

আয়োগৰ সদস্য সকলে তেনে সদস্য পদৰ সমাপ্তিত আন পদ ধাৰণ কৰা নিষেধ।

৩১৯। পদ ধাৰণৰ সমাপ্তি হলে —

(ক) সংঘ-লোক সেৱা আয়োগৰ অধ্যক্ষ ভাৰত চৰকাৰৰ অধীনত বা কোনো ৰাজ্যৰ চৰকাৰৰ অধীনত পুনৰ নিযুক্তিৰ কাৰণে অপাত্ৰ হব;

(খ) কোনো ৰাজ্যৰ লোক সেৱা আয়োগৰ অধ্যক্ষ, সংঘ-লোক সেৱা আয়োগৰ অধ্যক্ষ বা আন কোনো সদস্য হিচাপে নাইবা আন কোনো ৰাজ্যৰ লোক সেৱা আয়োগৰ অধ্যক্ষ হিচাপে নিযুক্ত হোৱাৰ পাত্ৰ হব, কিন্তু ভাৰত চৰকাৰ বা কোনো ৰাজ্যৰ চৰকাৰৰ অধীনত আন কোনো নিযুক্তিৰ বাবে পাত্ৰ হব নোৱাৰিব ;

১। সংবিধান (সপ্তম সংশোধন) অধিনিয়ম, ১৯৫৬ ৰ ২৯ ধাৰা আৰু অনুসূচীৰ দ্বাৰা 'বা ৰাজপ্ৰমুখ' শব্দ সমূহ লোপ কৰা হৈছে।

(গ) সংঘ-লোক সেৱা আয়োগৰ অধ্যক্ষৰ বাহিৰে আন কোনো সদস্য সংঘ লোক সেৱা আয়োগৰ অধ্যক্ষ হিচাপে বা আন কোনো ৰাজ্যৰ লোক সেৱা আয়োগৰ অধ্যক্ষ হিচাপে নিযুক্ত হোৱাৰ পাত্ৰ হব, কিন্তু ভাৰত চৰকাৰ নাইবা কোনো ৰাজ্যৰ চৰকাৰৰ অধীনত আন কোনো নিযুক্তি পাবৰ কাৰণে পাত্ৰ হব নোৱাৰিব।

(ঘ) কোনো ৰাজ্যৰ লোক সেৱা আয়োগৰ অধ্যক্ষৰ বাহিৰে আন কোনো সদস্য সংঘৰ লোক সেৱা আয়োগৰ অধ্যক্ষ বা আন যিকোনো সদস্যৰূপে অথবা সেই ৰাজ্যৰ বা আন কোনো ৰাজ্যৰ লোক সেৱা আয়োগৰ অধ্যক্ষ হিচাপে নিযুক্ত হোৱাৰ পাত্ৰ হব, কিন্তু ভাৰত চৰকাৰ বা কোনো ৰাজ্যৰ চৰকাৰৰ অধীনত আন কোনো নিযুক্তিৰ বাবে পাত্ৰ হব নোৱাৰিব।

লোক সেৱা আয়োগ সমূহৰ কৃত্য সমূহ।

৩২০। (১) সংঘৰ আৰু ৰাজ্যৰ লোক সেৱা আয়োগ সমূহৰ কৰ্ত্তব্য হব যথাক্ৰমে সংঘ আৰু ৰাজ্যৰ সেৱা সমূহত নিযুক্তিৰ কাৰণে পৰীক্ষা সমূহ লোৱা।

(২) যদি দুই বা ততোধিক ৰাজ্যই তেনে কৰিবলৈ অনুৰোধ জনায়, তেনেহলে যিবোৰ সেৱাৰ কাৰণে বিশেষ অৰ্হতা সম্পন্ন প্ৰাৰ্থীসকলৰ আৱশ্যক হয় তেনেবোৰ সেৱাৰ কাৰণে যুটীয়া ভৰ্ত্তিৰ বাবে আচঁনি প্ৰস্তুত কৰা আৰু প্ৰৱৰ্ত্তন কৰাত সেইবোৰ ৰাজ্যক সহায় কৰাটোও সংঘ-লোক সেৱা আয়োগৰ কৰ্ত্তব্য হব।

(৩) যথাস্থিতি মতে, সংঘ-লোক সেৱা আয়োগ বা ৰাজ্য-লোক সেৱা আয়োগৰ লগত-

(ক) অসামৰিক সেৱা আৰু অসামৰিক পদৰ কাৰণে ভৰ্ত্তি কৰাৰ প্ৰণালী সম্পৰ্কীয় সকলো বিষয়ত ;

(খ) অসামৰিক সেৱা আৰু পদত নিযুক্তি দিওঁতে আৰু এটা সেৱাৰ পৰা আনটোলৈ পদোন্নতি বা স্থানান্তৰ কৰোতে আৰু এনে নিযুক্তি, পদোন্নতি বা স্থানান্তৰৰ বাবে প্ৰাৰ্থী সকলৰ উপযুক্ততা সম্পৰ্কে অনুসৰণ কৰিব লগীয়া নীতি সম্পৰ্কে ;

(গ) ভাৰত চৰকাৰৰ অধীনত বা কোনো ৰাজ্যৰ চৰকাৰৰ অধীনত অসামৰিক সামৰ্থ্যৰে সেৱা কৰা কোনো ব্যক্তিৰ ওপৰত প্ৰভাৱ পেলোৱা অনুশাসনমূলক সকলো বিষয়ত আৰু সেই সম্পৰ্কত দিয়া স্মাৰক পত্ৰ আৰু দৰ্খাস্তৰ বিষয়ত ;

(ঘ) নিজৰ কৰ্ত্তব্য সম্পাদন কৰোতে কৰা হোৱা বা কৰা বুলি অভিপ্ৰেত কোনো কাৰ্য্যৰ সম্বন্ধত তেওঁৰ বিৰুদ্ধে অনা বিধিক কাৰ্য্যবাহী সমূহত প্ৰতিৰক্ষা কৰোতে তেওঁ বহন কৰা কোনো খৰচ যথাস্থিতি মতে, ভাৰতৰ সঞ্চিত নিধিৰ পৰা বা সেই ৰাজ্যৰ সঞ্চিত নিধিৰ পৰা শোধ কৰিব লাগে বুলি ভাৰত চৰকাৰৰ অধীনত বা কোনো ৰাজ্যৰ চৰকাৰৰ অধীনত বা সম্ৰাটৰ অধীনত ভাৰতত বা কোনো ভাৰতীয় ৰাজ্য চৰকাৰৰ অধীনত অসামৰিক সামৰ্থ্যৰে সেৱা কৰি থকা বা পূৰ্বে সেৱা কৰা কোনো ব্যক্তিৰ দ্বাৰা বা সম্বন্ধত তোলা কোনো দাবীৰ বিষয়ত;

(ঙ) ভাৰত চৰকাৰৰ অধীনত বা কোনো ৰাজ্যৰ চৰকাৰৰ অধীনত বা সম্ৰাটৰ অধীনত ভাৰতত বা কোনো ভাৰতীয় ৰাজ্যৰ চৰকাৰৰ অধীনত অসামৰিক সামৰ্থ্যৰে সেৱা কৰি থাকোতে কোনো ব্যক্তিয়ে পোৱা আঘাতৰ সম্বন্ধত অৱসৰ বেতন পাবৰ কাৰণে কৰা কোনো দাবীৰ বিষয়ে আৰু এনে কোনো অৱসৰ বেতনৰ পৰিমাণ বিষয়ক কোনো প্ৰশ্নৰ বিষয়ত, পৰামৰ্শ কৰিব লাগিব, আৰু এনেদৰে আয়োগলৈ নিৰ্দেশিত কৰা কোনো বিষয়ত আৰু যথাস্থিতি মতে, ৰাষ্ট্ৰপতিয়ে বা সেই ৰাজ্যৰ ৰাজ্যপালে [১][*** ***] আয়োগলৈ নিৰ্দেশিত কৰা আন যিকোনো বিষয়ত মন্ত্ৰণা দিয়াটো লোক সেৱা আয়োগৰ কৰ্ত্তব্য হব ঃ

১। সংবিধান (সপ্তম সংশোধন) অধিনিয়ম, ১৯৫৬ ৰ ২৯ ধাৰা আৰু অনুসূচীৰ দ্বাৰা "বা ৰাজপ্ৰমুখ" শব্দ সমুহ লোপ কৰা হৈছে।

চতুর্দ্দশ ভাগ-সংঘ আৰু ৰাজ্য সমূহৰ অধীনস্থ সেৱা সমূহ - অনুচ্ছেদ ৩২০-৩২৩

পৰন্তু, সৰ্ব ভাৰতীয় সেৱাৰ সম্বন্ধত আৰু সংঘৰ কামৰ লগত জড়িত থকা অন্যান্য সেৱা আৰু পদৰ সম্বন্ধত ৰাষ্ট্ৰপতিয়ে আৰু আন কোনো ৰাজ্যৰ কামৰ লগত জড়িত থকা অন্যান্য সেৱা আৰু পদৰ সম্বন্ধত, ৰাজ্যপালে [১][* * * * * *] সাধাৰণতে কোনবোৰ বিষয়ত বা কোনবোৰ বিশেষ শ্ৰেণীৰ বিষয়ত নাইবা কোনবোৰ বিশেষ অৱস্থাত কোনো লোক সেৱা আয়োগৰ লগত মন্ত্ৰণা কৰিবৰ আৱশ্যক নকৰে সেই বিষয়বোৰ বিনির্দ্দিষ্ট কৰি বিনিয়ম প্ৰস্তুত কৰিব পাৰে।

(৪) খণ্ড (৩) ৰ কোনো কথাৰ দ্বাৰা এইটো অপেক্ষিত নহয় যে কি ৰীতিত অনুচ্ছেদ ১৬ ৰ খণ্ড (৪) ত নির্দ্দেশিত কোনো উপবন্ধ প্ৰস্তুত কৰিব লাগিলে সেই সম্বন্ধে অথবা কি ৰীতিৰে অনুচ্ছেদ ৩৩৫ ৰ উপবন্ধ সমূহ কার্য্যকৰী কৰিব লাগিব সেই সম্বন্ধে লোক সেৱা আয়োগৰ লগত পৰামর্শ কৰিব লাগিব।

(৫) খণ্ড (৩) ৰ উপবন্ধৰ অধীনত ৰাষ্ট্ৰপতিয়ে বা কোনো ৰাজ্যৰ ৰাজ্যপালে [২][* * * * * *] কৰা সকলো বিনিয়ম, সেইবোৰ কৰাৰ পিচত যথা সত্বৰ শীঘ্ৰে, সংসদৰ প্ৰত্যেক সদনৰ আগত বা যথাস্থিতি মতে, সেই ৰাজ্যৰ বিধান মণ্ডলৰ সদনৰ আগত বা প্ৰত্যেক সদনৰ আগত অন্যূন চৈধ্য দিনৰ বাবে ৰাখিব আৰু সেই বিনিয়মসমূহ তেনে ভাবে ৰখা অধিবেশনৰ ভিতৰতে সংসদৰ দুয়োখন সদনে বা সেই ৰাজ্যৰ বিধান মণ্ডলৰ সদনে বা দুয়োখন সদনে নিৰসনৰ বা সংশোধনৰ দ্বাৰা কৰা পৰিবর্ত্তন সাপেক্ষ হব।

লোক সেৱা আয়োগৰ কৃত্য সমূহ বিস্তাৰ কৰাৰ ক্ষমতা।

৩২১। যথাস্থিতি, সংসদৰ দ্বাৰা বা কোনো ৰাজ্যৰ বিধান মণ্ডলৰ দ্বাৰা প্ৰণীত কোনো অধিনিয়মে সংঘ বা ৰাজ্যৰ সেৱাৰ সম্বন্ধত আৰু তদুপৰি কোনো স্থানীয় প্ৰাধিকাৰী বা বিধিযোগে গঠিত হোৱা আন নিগম নিকায় বা কোনো সার্বজনিক সংস্থাৰ সম্বন্ধত সংঘ-লোক সেৱা আয়োগৰ দ্বাৰা বা ৰাজ্য-লোক সেৱা আয়োগৰ দ্বাৰা অতিৰিক্ত কৃত্য নির্বহন কৰিবলৈ উপবন্ধ কৰিব পাৰে।

লোক সেৱা আয়োগ সমূহৰ ব্যয়।

৩২২। আয়োগৰ সদস্য সকলক বা কর্ম্মচাৰী বৃন্দক বা তেওঁলোকৰ সম্বন্ধত শোধ কৰিবলগীয়া কোনো বেতন, ভাতা আৰু অৱসৰ বেতনকে ধৰি সংঘ বা কোনো ৰাজ্য-লোক সেৱা আয়োগৰ ব্যয়ৰ ভাৰ যথাস্থিতি মতে, ভাৰতৰ সঞ্চিত নিধি বা সেই ৰাজ্যৰ সঞ্চিত নিধি ৰ ওপৰত আৰোপিত হব।

লোক সেৱা আয়োগ সমূহৰ প্ৰতিবেদন সমূহ।

৩২৩। (১) সংঘ - আয়োগে কৰা কামৰ বিষয়ে ৰাষ্ট্ৰপতিৰ ওচৰত বছৰি একোখন প্ৰতিবেদন দাখিল কৰাটো সংঘ-আয়োগৰ কর্ত্তব্য হব আৰু তেনে প্ৰতিবেদন পোৱাৰ পিচত ৰাষ্ট্ৰপতিয়ে সংসদৰ প্ৰত্যেক সদনতে তাৰ একোটা প্ৰতিলিপি আৰু তাৰ লগতে যদিহে কেতিয়াবা আয়োগৰ মন্ত্ৰণা গ্ৰহণ কৰা হোৱা নাই তেনেহলে তেনে বিষয়ত কিয় গ্ৰহণ কৰা নহ'ল তাৰ কাৰণ ব্যাখ্যা কৰি একোখন জ্ঞাপন দাখিল কৰাব।

(২) ৰাজ্য-আয়োগৰ কামৰ বিষয়ে সেই ৰাজ্যৰ ৰাজ্যপালৰ [২][* * * * * *] ওচৰত বছৰি একোখন প্ৰতিবেদন দাখিল কৰাটো কোনো ৰাজ্য-আয়োগৰ কর্ত্তব্য হব আৰু যুটীয়া আয়োগে যিবোৰ ৰাজ্যৰ আৱশ্যকতাৰ সেৱা কৰিছে তেনে প্ৰত্যেকখন ৰাজ্যৰ ৰাজ্যপালৰ [২][* * * * * *] ওচৰত আয়োগে সেই ৰাজ্যৰ সম্পর্কত কৰা কামৰ বিষয়ে বার্ষিক প্ৰতিবেদন একোখন দাখিল কৰাটো যুটীয়া আয়োগৰ কর্ত্তব্য হব আৰু এই দুয়োটা ক্ষেত্ৰতে, ৰাজ্যপালে [১][* * * * * *] তেনে প্ৰতিবেদন পোৱাৰ পিচত সেই ৰাজ্যৰ বিধান মণ্ডলত তাৰে প্ৰতিলিপি একোটা আৰু তাৰ লগতে, যদিহে কেতিয়াবা আয়োগৰ মন্ত্ৰণা গ্ৰহণ কৰা হোৱা নাই, তেনেহলে তেনে বিষয়ত কিয় গ্ৰহণ কৰা নহ'ল তাৰ কাৰণ ব্যাখ্যা কৰি একোখন জ্ঞাপন দাখিল কৰাব।

১। সংবিধান (সপ্তম সংশোধন) অধিনিয়ম, ১৯৫৬ ৰ ২৯ ধাৰা আৰু অনুসূচীৰ দ্বাৰা "বা ৰাজপ্ৰমুখ যথাস্থিতি মতে," এই শব্দ সমূহ লোপ কৰা হৈছে।

২। সংবিধান (সপ্তম সংশোধন) অধিনিয়ম, ১৯৫৬ ৰ ২৯ ধাৰা আৰু অনুসূচীৰ দ্বাৰা "বা ৰাজপ্ৰমুখ" শব্দ সমূহ লোপ কৰা হৈছে।

[১] চতুর্দ্দশ ক ভাগ

ন্যায়াধিকৰণ

প্ৰশাসনিক ন্যায়াধিকৰণ।

৩২৩ ক। (১) সংসদে বিধিৰ দ্বাৰা সংঘৰ বা কোনো ৰাজ্যৰ অথবা ৰাজ্য ক্ষেত্ৰৰ ভিতৰত থকা বা ভাৰত চৰকাৰৰ নিয়ন্ত্ৰণাধীন কোনো স্থানীয় বা অন্য প্ৰাধিকাৰী অথবা চৰকাৰৰ স্বামিত্বৰ বা নিয়ন্ত্ৰণত থকা কোনো নিগমৰ কাৰ্য্যকলাপৰ লগত সম্পৰ্ক থকা লোক সেৱা বা পদত ভৰ্ত্তিকৰণ আৰু তাত নিযুক্ত ব্যক্তিসকলৰ সেৱাৰ চৰ্ত্ত সম্বন্ধীয় বিবাদ বা গোচৰ সমূহ প্ৰশাসনিক ন্যায়াধিকৰণৰ দ্বাৰা ন্যায়নিৰ্ণয় বা বিচাৰৰ বাবে উপবন্ধ কৰিব পাৰে।

(২) খণ্ড (১) ৰ অধীনত প্ৰণীত বিধিয়ে --

(ক) সংঘৰ বাবে এখন প্ৰশাসনিক ন্যায়াধিকৰণ আৰু প্ৰত্যেক ৰাজ্যৰ বাবে অথবা দুই বা ততোধিক ৰাজ্যৰ বাবে একোখন পৃথক পৃথক প্ৰশাসনিক ন্যায়াধিকৰণ স্থাপনৰ বাবে উপবন্ধ কৰিব পাৰিব ;

(খ) উক্ত ন্যায়াধিকৰণৰ দ্বাৰা প্ৰয়োগ কৰিবলগীয়া ক্ষেত্ৰাধিকাৰ, ক্ষমতা (অৱমাননাৰ বাবে দণ্ড দিয়াৰ ক্ষমতাও অন্তৰ্ভুক্ত কৰি) আৰু প্ৰাধিকাৰ বিনির্দ্দিষ্ট কৰিব পাৰিব;

(গ) উক্ত ন্যায়াধিকৰণ বিলাকে অনুসৰণ কৰিবলগীয়া প্ৰক্ৰিয়াৰ (পৰিসীমা আৰু সাক্ষ্যৰ নিয়মৰ বিষয়ে উপবন্ধ অন্তৰ্ভুক্ত কৰি) উপবন্ধ কৰিব পাৰিব ;

(ঘ) খণ্ড (১) ত উল্লিখিত বিবাদ বা গোচৰ সমূহৰ সম্বন্ধত অনুচ্ছেদ ১৩৬ ৰ অধীনত থকা উচ্চতম ন্যায়ালয়ৰ ক্ষেত্ৰাধিকাৰৰ বাহিৰে সকলো ন্যায়ালয়ৰ ক্ষেত্ৰাধিকাৰ বহির্ভুত কৰিব পাৰিব ;

(ঙ) এনে প্ৰত্যেক প্ৰশাসনিক ন্যায়াধিকৰণলৈ এনে মোকৰ্দ্দমা হস্তান্তৰণ কৰাৰ বাবে উপবন্ধ কৰিব পাৰিব যিবিলাক নেকি এনে ন্যায়াধিকৰণ স্থাপন কৰাৰ অব্যৱহিত পূৰ্ব্বে কোনো ন্যায়ালয় বা অন্য প্ৰাধিকাৰীৰ ওচৰত বিচাৰাধীন হৈ থাকে আৰু যিবিলাক বাদ হেতুকৰ ওপৰত এনে বাদ বা কাৰ্য্যবাহী আধাৰিত সেইবোৰ এনে ন্যায়াধিকৰণ স্থাপনৰ পিচত উদ্ভৱ হোৱা হলে তেনে ন্যায়াধিকৰণৰ ক্ষেত্ৰাধিকাৰৰ ভিতৰত হ'লহেতেন ;

(চ) ৰাষ্ট্ৰপতিৰ দ্বাৰা অনুচ্ছেদ ৩৭১ ঘ-ৰ খণ্ড (৩) ৰ অধীনত দিয়া কোনো আদেশৰ নিৰসন বা সংশোধন কৰিব পাৰিব;

(ছ) এনে অণুপূৰক আনুষঙ্গিক আৰু পাৰিণামিক উপবন্ধ (মাচুল সম্বন্ধীয় উপবন্ধও অন্তৰ্ভুক্ত কৰি) অন্তৰ্বিষ্ট কৰিব পাৰিব যিবিলাক নেকি এনে ন্যায়াধিকৰণে প্ৰভাৱশীলভাৱে কৃত্য নিৰ্বহন কৰিবৰ বাবে, মোকৰ্দ্দমাৰ দ্ৰুত বিনিশ্চয় কৰিবৰ বাবে আৰু ন্যায়াধিকৰণৰ আদেশসমূহ বলবৎ কৰিবৰ বাবে সংসদে আৱশ্যক বুলি গণ্য কৰে।

(৩) এই সংবিধানৰ আন কোনো উপবন্ধত অথবা তৎকালীন বলবৎ থকা আন কোনো বিধিত যিকোনো কথা থকা সত্ত্বেও এই অনুচ্ছেদৰ উপবন্ধ সমূহ প্ৰভাৱী হব।

অন্য বিষয়ৰ বাবে ন্যায়াধিকৰণ।

৩২৩ খ। (১) সমুচিত বিধান মণ্ডলে বিধিৰ দ্বাৰা এনে বিবাদ, গোচৰ বা অপৰাধৰ ন্যায়াধিকৰণৰ দ্বাৰা ন্যায়নিৰ্ণয় বা বিচাৰৰ বাবে উপবন্ধ কৰিব পাৰে যিবিলাকনেকি খণ্ড (২) ত বিনির্দ্দিষ্ট সকলো বা যিকোনোটো বিষয়ৰ লগত সম্বন্ধিত হয় আৰু যিবিলাকৰ সম্বন্ধত তেনে বিধান মণ্ডলৰ বিধি প্ৰণয়নৰ ক্ষমতা থাকে।

(২) নিম্নলিখিত সমূহেই খণ্ড (১) ত নির্দেশিত বিষয়, অর্থাৎ ঃ--

(ক) কোনো কৰ উদ্‌গ্ৰহণ, নির্দ্ধাৰণ, সংগ্ৰহণ আৰু প্ৰবর্ত্তন ;

১। সংবিধান (দ্বাচত্বাৰিংশ সংশোধন) অধিনিয়ম, ১৯৭৬ ৰ ধাৰা ৪৬ ৰ দ্বাৰা অন্তঃস্থাপিত (৩-১-৭৭ তাংৰ পৰা)।

চতুৰ্দ্দশ ক ভাগ - ন্যায়াধিকৰণ - অনুচ্ছেদ ৩২৩ খ

(খ) বিদেশী মুদ্রা, শুল্ক সীমান্তৰ ইপাৰে-সিপাৰে আমদানি আৰু ৰপ্তানি ;

(গ) ঔদ্যোগিক আৰু শ্রম বিবাদ ;

(ঘ) ৰাজ্যৰ দ্বাৰা অনুচ্ছেদ ৩১ ক ত পৰিভাষিত কোনো সম্পদা বা তাত থকা কোনো অধিকাৰ অর্জনৰ দ্বাৰা বা তেনে অধিকাৰ বিলোপন বা সাল-সলনিৰ দ্বাৰা অথবা কৃষি - ভূমিৰ ওপৰত অধিকতম সীমা নির্দ্ধাৰণৰ দ্বাৰা বা আন কোনো প্রকাৰে ভূমি সংস্কাৰ ;

(ঙ) নগৰীয়া সম্পত্তিৰ অধিকতম সীমা ;

(চ) সংসদৰ যিকোনোটো সদনলৈ অথবা কোনো ৰাজ্যৰ বিধান মণ্ডলৰ সদনলৈ বা যিকোনোটো সদনলৈ নির্ব্বাচন, কিন্তু অনুচ্ছেদ ৩২৯ আৰু অনুচ্ছেদ ৩২৯ ক -ত নির্দেশিত বিষয়সমূহ বাদ দি ;

(ছ) খাদ্য সামগ্রীৰ (খোৱা তেলৰ গুটি আৰু খোৱা তেলক অন্তর্ভুক্ত কৰি) আৰু ৰাষ্ট্রপতিয়ে এই অনুচ্ছেদৰ প্রয়োজনৰ বাবে চৰকাৰী অধিসূচনাৰ দ্বাৰা অত্যাৱশ্যকীয় সামগ্রী বুলি ঘোষণা কৰা তেনে আন সামগ্রী সমূহৰ উৎপাদন আহৰণ আৰু যোগান আৰু তেনে সামগ্রীসমূহৰ মূল্য নিয়ন্ত্রণ ;

[১][(জ)] ভাৰা, ইয়াৰ বিনিয়মন আৰু নিয়ন্ত্রণ আৰু ভাৰাতীয়াস্বত্ব সম্বন্ধীয় বিবাদ্যক গৃহস্বামী আৰু ভাৰাতীয়াসকলৰ অধিকাৰ, স্বত্ব আৰু হিত অন্তর্ভুক্ত কৰি ;

[২][ঝ] উপখণ্ড (ক) ৰ পৰা [৩][(জ)] লৈ বিনির্দ্দিষ্ট বিষয় সমূহৰ যিকোনোটোৰ সম্বন্ধত বিধিৰ বিৰুদ্ধে অপৰাধ সমূহ আৰু সেই বিষয় সমূহৰ যিকোনোটোৰ সম্বন্ধিত মাচুল ;

[২][ঞ] উপখণ্ড (ক) ৰ পৰা [৪][(ঝ)] লৈ বিনির্দ্দিষ্ট বিষয় সমূহৰ যিকোনোটোৰ আনুষঙ্গিক কোনো বিষয়।

(৩) খণ্ড (১) ৰ অধীনত প্রণীত বিধিয়ে –

(ক) ন্যায়াধিকৰণ সমূহৰ পদানুক্রম স্থাপন কৰিবলৈ উপবন্ধ কৰিব পাৰে;

(খ) উক্ত ন্যায়াধিকৰণ সমূহৰ প্রত্যেকৰ দ্বাৰা প্রয়োগ কৰিবলগীয়া ক্ষেত্রাধিকাৰ, ক্ষমতা (অৱমাননাৰ বাবে দণ্ড দিয়াৰ ক্ষমতা অন্তর্ভুক্ত কৰি) আৰু প্রাধিকাৰ বিনির্দ্দিষ্ট কৰিব পাৰে;

(গ) উক্ত ন্যায়াধিকৰণ সমূহে অনুসৰণ কৰিব লগীয়া প্রক্রিয়াৰ (পৰিসীমা আৰু সাক্ষ্যৰ নিয়মৰ উপবন্ধ অন্তর্ভুক্ত কৰি) উপবন্ধ কৰিব পাৰে;

(ঘ) উক্ত ন্যায়াধিকৰণ সমূহৰ ক্ষেত্রাধিকাৰৰ ভিতৰত অহা সকলো বা যিকোনোটো বিষয়ৰ সম্বন্ধত অনুচ্ছেদ ১৩৬ ৰ অধীনত উচ্চতম ন্যায়ালয়ৰ ক্ষেত্রাধিকাৰৰ বাহিৰে আন সকলো ন্যায়ালয়ৰ ক্ষেত্রাধিকাৰ বহির্ভূত কৰিব পাৰে;

(ঙ) এনে প্রত্যেক ন্যায়াধিকৰণলৈ এনে মোকৰ্দ্দমা হস্তান্তৰণ কৰাৰ বাবে উপবন্ধ কৰিব পাৰে - যিবিলাকনেকি এনে ন্যায়াধিকৰণ স্থাপন কৰাৰ অব্যৱহিত পূর্ব্বে কোনো ন্যায়ালয় বা অন্য প্রাধিকাৰীৰ ওচৰত বিচাৰাধীন হৈ থাকে আৰু যিবিলাক বাদ হেতুকৰ ওপৰত এনে বাদ বা কার্য্যবাহী আধাৰিত সেইবোৰ এনে ন্যায়াধিকৰণ স্থাপনৰ পিচত উদ্ভৱ হোৱা হলে তেনে ন্যায়াধিকৰণৰ ক্ষেত্রাধিকাৰৰ ভিতৰত হ'লহেতেন;

(চ) এনে অনুপূৰক, আনুষাঙ্গিক আৰু পাৰিণামিক উপবন্ধ (মাচুল সম্বন্ধীয় উপবন্ধও অন্তর্ভুক্ত কৰি) অন্তর্বিষ্ট কৰিব পাৰে যিবিলাকনেকি এনে ন্যায়াধিকৰণে প্রভাৱশীল ভাবে কৃত্য নির্ব্বহন কৰিবৰ বাবে, মোকৰ্দ্দমাৰ দ্রুত বিনিশ্চয় কৰিবৰ বাবে আৰু ন্যায়াধিকৰণৰ আদেশ সমূহ বলবৎ কৰিবৰ বাবে সমুচিত বিধান মণ্ডলে আৱশ্যক বুলি গণ্য কৰে।

(৪) এই সংবিধানৰ আন কোনো উপবন্ধত অথবা তৎকালীন বলবৎ থকা আন কোনো বিধিত যিকোনো কথা থকা সত্ত্বেও এই অনুচ্ছেদৰ উপবন্ধসমূহ প্রভাবী হব।

স্পষ্টীকৰণ ঃ- এই অনুচ্ছেদত যিকোনো বিষয়ৰ সম্বন্ধত "সমুচিত বিধান মণ্ডল" পদে ভাগ একাদশৰ উপবন্ধ সমূহৰ অনুসৰি তেনে বিষয় সমূহৰ সম্বন্ধত বিধি প্রণয়ন কৰিবলৈ সক্ষম হোৱা সংসদক বা কোনো ৰাজ্যিক বিধান মণ্ডলক বুজাব।)]

১। সংবিধান (পঞ্চ সপ্ততিতম সংশোধন) অধিনিয়ম, ১৯৯৩ ৰ দ্বাৰা অন্তঃস্থাপিত (১৫-৫-১৯৯৪ ৰ পৰা প্রভাৰী হোৱাকৈ)।

২। একে অধিনিয়মৰ দ্বাৰা উপখণ্ড (জ) আৰু (ঝ) ক (ঝ) আৰু (ঞ) ৰূপে পুনঃ অক্ষৰাঙ্কিত কৰা হৈছে (১৫-৫-১৯৯৪ ৰ পৰা প্রভাৰী হোৱাকৈ)।

৩। একে অধিনিয়মৰ দ্বাৰা বন্ধনী আৰু আখৰ "(ছ)" ৰ বাবে প্রতিষ্ঠাপিত (১৫-৫-১৯৯৪ ৰ পৰা প্রভাৰী হোৱাকৈ)।

৪। একে অধিনিয়মৰ দ্বাৰা বন্ধনী আৰু আখৰ "(জ)" ৰ বাবে প্রতিষ্ঠাপিত (১৫-৫-১৯৯৪ ৰ পৰা প্রভাৰী হোৱাকৈ)।

[১] পঞ্চদশ ভাগ

নির্ব্বাচন

নির্ব্বাচন সমূহৰ অধীক্ষন, নির্দ্দেশন আৰু নিয়ন্ত্রণ এক নির্ব্বাচন আয়োগৰ ওপৰত ন্যস্ত হব।

৩২৪। (১) এই সংবিধানৰ অধীনত সংসদৰ আৰু প্রত্যেক ৰাজ্যৰ বিধান মণ্ডলৰ আৰু ৰাষ্ট্রপতি আৰু উপ-ৰাষ্ট্রপতি পদৰ বাবে হোৱা সকলো নির্ব্বাচনৰ নির্ব্বাচক নামাৱলী প্রস্তুতিৰ আৰু সকলো নির্ব্বাচনৰ পৰিচালনাৰ অধীক্ষণ, নির্দ্দেশন আৰু নিয়ন্ত্রণ [১][* * * * * *] এক আয়োগৰ ওপৰত (যাক এই সংবিধানত নির্ব্বাচন আয়োগ বুলি উল্লেখ কৰা হৈছে) ন্যস্ত থাকিব।

(২) নির্ব্বাচন আয়োগ মুখ্য নির্ব্বাচন আয়ুক্ত আৰু যদিহে থাকে, ৰাষ্ট্রপতিয়ে সময়ে সময়ে নিয়ত কৰি দিয়া যিকোনো সংখ্যক অন্যান্য নির্ব্বাচন আয়ুক্ত সকলৰে গঠিত হব আৰু সেই সম্পর্কত সংসদৰ দ্বাৰা প্রণীত কোনো বিধিৰ উপবন্ধ সমূহৰ অধীনে, মুখ্য নির্ব্বাচন আয়ুক্তৰ আৰু আন নির্ব্বাচন আয়ুক্ত সকলৰ নিযুক্তি ৰাষ্ট্রপতিৰ দ্বাৰা কৰা হব।

(৩) যেতিয়ানেকি আন কোনো নির্ব্বাচন আয়ুক্ত এনে ভাবে নিযুক্ত হয় তেতিয়া মুখ্য নির্ব্বাচন আয়ুক্তই নির্ব্বাচন আয়োগৰ সভাপতি ৰূপে কার্য্য কৰিব।

(৪) লোক সভা আৰু প্রত্যেক ৰাজ্যৰ বিধান সভাৰ বাবে হোৱা প্রত্যেক সাধাৰণ নির্ব্বাচনৰ পূর্ব্বে আৰু বিধান পৰিষদ থকা প্রত্যেক ৰাজ্যৰ বিধান পৰিষদৰ বাবে হোৱা প্রথম সাধাৰণ নির্ব্বাচনৰ পূর্ব্বে আৰু তাৰ পিচত এনে পৰিষদৰ প্রত্যেক দ্বিবার্ষিক নির্ব্বাচনৰ পূর্ব্বে, ৰাষ্ট্রপতিয়ে নির্ব্বাচন আয়োগৰ লগত পৰামর্শ কৰি খণ্ড (১) ৰ দ্বাৰা আয়োগৰ ওপৰত অর্পিত কৃত্যসমূহ পালনৰ কাৰণে নির্ব্বাচন আয়োগক সহায় কৰিবলৈ তেওঁ আৱশ্যক বুলি ভবা মতে কোনো আঞ্চলিক আয়ুক্তও নিযুক্ত কৰিব পাৰে।

(৫) সংসদৰ দ্বাৰা প্রণীত কোনো বিধিৰ উপবন্ধ সমূহৰ সাপেক্ষে নির্ব্বাচন আয়ুক্ত আৰু আঞ্চলিক আয়ুক্ত সকলৰ সেৱাৰ চর্ত্ত আৰু পদাৱধি এনে ধৰণৰ হব যিটোনেকি ৰাষ্ট্রপতিয়ে নিয়মৰ দ্বাৰা নির্দ্ধাৰিত কৰে ঃ

পৰন্তু, উচ্চতম ন্যায়ালয়ৰ কোনো ন্যায়াধীশক যি ৰীতিৰে আৰু যিবোৰ কাৰণত তেওঁৰ পদৰ পৰা অপসাৰিত কৰিব পাৰি তাৰ অনুৰূপ ৰীতি আৰু কাৰণ ব্যতিৰেকে মুখ্য নির্ব্বাচন আয়ুক্তক তেওঁৰ পদৰ পৰা অপসাৰিত কৰিব নোৱাৰিব আৰু মুখ্য নির্ব্বাচন আয়ুক্তৰ সেৱাৰ চর্ত্তসমূহ তেওঁৰ নিযুক্তিৰ পিচত তেওঁৰ প্রতিকূলে পৰিবর্ত্তন কৰিব নোৱাৰিব ঃ

অধিকন্তু, আন কোনো নির্ব্বাচন আয়ুক্ত বা কোনো আঞ্চলিক আয়ুক্ত মুখ্য নির্ব্বাচন আয়ুক্তৰ চুপাৰিছ বিনা পদৰ পৰা অপসাৰিত নহব।

(৬) যেতিয়ানেকি সেই মর্ম্মে নির্ব্বাচন আয়োগে অনুৰোধ জনায়, তেতিয়া ৰাষ্ট্রপতিয়ে বা কোনো ৰাজ্যৰ ৰাজ্যপালে [২][* * * * * *] খণ্ড (১) ৰ দ্বাৰা নির্ব্বাচন আয়োগৰ ওপৰত অর্পিত কৃত্যসমূহ নির্ব্বহনৰ কাৰণে আৱশ্যক হোৱা অনুসৰি কর্ম্মচাৰীবৃন্দ নির্ব্বাচন আয়োগক বা কোনো আঞ্চলিক আয়ুক্তক যোগোৱাব দিহা কৰিব।

ধর্ম, জাতি, বর্ণ বা লিংগৰ আধাৰত কোনো নির্ব্বাচক নামাৱলীৰ অন্তর্ভুক্ত হবলৈ কোনো ব্যক্তি অপাত্র নহব বা কোনো বিশেষ নির্ব্বাচক নামাৱলীৰ অন্তভুক্ত হবৰ কাৰণে দাবী কৰিব নোৱাৰিব।

৩২৫। সংসদৰ যিকোনোটো সদনলৈ অথবা কোনো ৰাজ্যৰ বিধান মণ্ডলৰ সদনলৈ বা যিকোনোটো সদনলৈ নির্ব্বাচনৰ কাৰণে প্রত্যেক প্রাদেশিক নির্ব্বাচন ক্ষেত্রৰ বাবে মাত্র এখন সাধাৰণ নির্ব্বাচক নামাৱলী থাকিব আৰু কেৱল ধর্ম, জাতি, বর্ণ, লিংগৰ আধাৰত বা ইয়াৰ যিকোনো এটাৰ আধাৰত কোনো ব্যক্তিয়ে এনে যিকোনো নির্ব্বাচন ক্ষেত্রৰ বাবে এনে নামাৱলীৰ অর্ন্তভুক্ত হবলৈ অপাত্র নহব বা কোনো বিশেষ নির্ব্বাচক নামাৱলীৰ অর্ন্তভুক্ত হবৰ কাৰণে দাবী কৰিব নোৱাৰিব।

১। সংবিধান (ঊনবিংশ সংশোধন) অধিনিয়ম, ১৯৬৬ ৰ ২ ধাৰাৰ দ্বাৰা "লগতে সংসদ আৰু ৰাজ্যসমূহৰ বিধান মণ্ডল বিলাকৰ নির্ব্বাচনত বা তাৰ সম্বন্ধত উদ্ভৱ হোৱা সন্দেহ বা বিবাদ সমূহৰ নির্ণয়ৰ কাৰণে নির্ব্বাচন ন্যায়াধিকৰণৰ নিযুক্তিকে ধৰি" এই শব্দসমূহ লোপ কৰা হৈছে।

২। সংবিধান (সপ্তম সংশোধন) অধিনিয়ম, ১৯৫৬ ৰ ২৯ ধাৰা আৰু অনুসূচীৰ দ্বাৰা "বা ৰাজপ্রমুখ" শব্দসমূহ লোপ কৰা হৈছে।

পঞ্চদশ ভাগ – নির্ব্বাচন অনুচ্ছেদ ৩২৬-৩২৯ ক

লোক সভাৰ আৰু ৰাজ্য সমূহৰ বিধান সভাৰ নির্ব্বাচন বয়স্ক ভোটাধিকাৰৰ ভিত্তিত হব।

৩২৬। লোক সভা আৰু প্ৰত্যেক ৰাজ্যৰ বিধান সভাৰ নির্ব্বাচন বয়স্ক ভোটাধিকাৰৰ ভিত্তিত হব; অর্থাৎ যি ব্যক্তি ভাৰতৰ নাগৰিক আৰু সমুচিত বিধান মণ্ডলৰ কোনো বিধিৰ দ্বাৰা বা অধীনত সেই সম্পর্কত নিয়ত কৰি দিয়া কোনো এটা তাৰিখত যাৰ বয়স [১][ওঠৰ বছৰ] ৰ কম নহয়, আৰু অনিবাস, চিত্ত-বিকৃতি, অপৰাধ বা ভ্ৰষ্ট অথবা অবৈধাচৰণৰ কাৰণত এই সংবিধানৰ অধীনত বা সমুচিত বিধান মণ্ডলৰ দ্বাৰা প্ৰণীত কোনো বিধিৰ অধীনত যি অন্যথা অর্নহ হোৱা নাই, তেনে প্ৰত্যেক ব্যক্তি এনে যিকোনো নির্ব্বাচনত ভোটদাতা হিচাপে পঞ্জীবদ্ধ হোৱাৰ হক্ দাৰ হব।

বিধান মণ্ডলসমূহৰ নির্ব্বাচনৰ সম্বন্ধত উপবন্ধ প্ৰস্তুত কৰিবলৈ সংসদৰ ক্ষমতা।

৩২৭। সংসদৰ যিকোনোটো সদনলৈ বা কোনো ৰাজ্যৰ বিধান মণ্ডলৰ সদনলৈ বা যিকোনোটো সদনলৈ নির্ব্বাচন সম্পৰ্কীয় বা জড়িত সকলো বিষয়ৰ সম্বন্ধত আৰু লগতে নির্ব্বাচক নামাৱলীৰ প্ৰস্তুতি, নির্ব্বাচন ক্ষেত্ৰসমূহৰ পৰিসীমন আৰু এনে সদন বা সদনসমূহৰ যথাবিহিত গঠনৰ কাৰণে আৱশ্যক হোৱা আন সকলো বিষয়ৰ সম্বন্ধত এই সংবিধানৰ উপবন্ধৰ অধীনে সংসদে সময়ে সময়ে বিধিৰ দ্বাৰা উপবন্ধ কৰিব পাৰে।

কোনো ৰাজ্যৰ বিধান মণ্ডলৰ নির্ব্বাচনৰ সম্বন্ধত উপবন্ধ কৰিবলৈ সেই বিধান মণ্ডলৰ ক্ষমতা।

৩২৮। এই সংবিধানৰ উপবন্ধৰ অধীনে আৰু সেই সম্পর্কত সংসদে উপবন্ধ প্ৰস্তুত নকৰা পর্য্যন্ত কোনো ৰাজ্যৰ বিধান মণ্ডলে সময়ে সময়ে বিধিৰ দ্বাৰা সেই ৰাজ্যৰ বিধান মণ্ডলৰ সদনৰ বা যিকোনোটো সদনৰ নির্ব্বাচন সম্পৰ্কীয় বা জড়িত সকলো বিষয়ৰ সম্বন্ধত আৰু লগতে নির্ব্বাচক নামাৱলীৰ প্ৰস্তুতি আৰু এনে সদন বা সদন সমূহৰ যথাবিহিত গঠনৰ কাৰণে আৱশ্যক হোৱা আন সকলো বিষয়ৰ সম্বন্ধত উপবন্ধ কৰিব পাৰে।

নির্ব্বাচন সম্বন্ধীয় বিষয়ত ন্যায়ালয়ৰ হস্তক্ষেপৰ ওপৰত বাধা।

৩২৯। [২][এই সংবিধানত যিকোনো কথা থকা সত্ত্বেও [৩][* * * *]

(ক) নির্ব্বাচন ক্ষেত্ৰৰ পৰিসীমন বা এনে নির্ব্বাচন ক্ষেত্ৰত আসনৰ বিতৰণ সম্পর্কে অনুচ্ছেদ ৩২৭ বা অনুচ্ছেদ ৩২৮ ৰ অধীনত কৰা বা কৰা বুলি অভিপ্ৰেত কোনো বিধিৰ বৈধতা সম্পর্কে কোনো ন্যায়ালয়ে প্ৰশ্ন কৰিব নোৱাৰিব।

(খ) সমুচিত বিধান মণ্ডলৰ দ্বাৰা প্ৰণীত বিধিৰ দ্বাৰা বা অধীনত যথা উপবন্ধিত প্ৰাধিকাৰীৰ ওচৰত যথা উপবন্ধিত ৰীতি অনুসৰি দিয়া নির্ব্বাচন আবেদনৰ অবিহনে সংসদৰ যিকোনোটো সদনৰ বাবে অথবা কোনো ৰাজ্যৰ বিধান মণ্ডলৰ সদনৰ বা যিকোনোটো সদনৰ বাবে হোৱা কোনো নির্ব্বাচন সম্পর্কে কোনো প্ৰশ্ন তুলিব নোৱাৰিব।

৩২৯ ক। [প্ৰধান মন্ত্ৰী আৰু অধ্যক্ষৰ ক্ষেত্ৰত সংসদলৈ নির্ব্বাচন সম্পৰ্কীয় বিশেষ উপবন্ধ।] সংবিধান (ঊনচত্বাৰিংশ সংশোধন) অধিনিয়ম, ১৯৭৫ ৰ ধাৰা ৪ ৰ দ্বাৰা অন্তঃস্থাপিত কিন্তু, সংবিধান (চতুঃচত্বাৰিংশ সংশোধন) অধিনিয়ম, ১৯৭৮ ৰ ধাৰা ৩৬ ৰ দ্বাৰা নিৰসিত (২০-৬-৯৭ তাংৰ পৰা)।

১। সংবিধান (একষষ্টিতম সংশোধন) অধিনিয়ম, ১৯৮৮ ৰ ধাৰা ২ ৰ দ্বাৰা "একৈশ বছৰ"ৰ বাবে প্ৰতিষ্ঠাপিত।

২। সংবিধান (ঊনচত্বাৰিংশ সংশোধন) অধিনিয়ম, ১৯৭৫ ৰ ধাৰা ৩ ৰ দ্বাৰা প্ৰতিষ্ঠাপিত।

৩। সংবিধান (চতুঃচত্বাৰিংশ সংশোধন) অধিনিয়ম, ১৯৭৮ ৰ ধাৰা ৩৫ ৰ দ্বাৰা "কিন্তু অনুচ্ছেদ ৩২৯ ক ৰ উপবন্ধ সমূহৰ সাপেক্ষে" এই কথাখিনি লোপ কৰা হৈছে।